অসম

লাহেশ্বৰী চাপৰিত ২,৫০০ বিঘা মুকলি ভূমি পৰিদৰ্শন মুখ্যমন্ত্রীৰ

হাজো-শুৱালকুছি সমষ্টিৰ লাহেশ্বৰী চাপৰিত ব্রহ্মপুত্রই গতিপথ সলনি কৰাত মুকলি হোৱা প্রায় ২,৫০০ বিঘা ভূমি পৰিদৰ্শন কৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

প্রকাশ: ১০ নৱেম্বৰ ২০২৬, দুপৰীয়া ৩:২৪



হাজো-শুৱালকুছি সমষ্টিৰ লাহেশ্বৰী চাপৰিত ব্রহ্মপুত্রই গতিপথ সলনি কৰাৰ ফলত মুকলি হোৱা প্রায় ২,৫০০ বিঘা ভূমি পৰিদৰ্শন কৰে মুখ্যমন্ত্রী হিমন্ত বিশ্ব শর্মাই।

ভূমি পুনৰুদ্ধাৰ প্রকল্পৰ অগ্রগতি পর্যালোচনাৰ উদ্দেশ্যে মুখ্যমন্ত্রীগৰাকী লাহেশ্বৰী চাপৰিত উপস্থিত হয়। উল্লেখ্য যে, কয়াতলত হাজোৰ লাহেশ্বৰী মন্দিৰৰ সমীপৰ পৰা শ্রীহাটীলৈকে ২,০০০ বিঘাৰো অধিক ভূমি উদ্ধাৰৰ পৰিকল্পনা কৰা হৈছে। আনহাতে, চনকাত কাছশিলাৰ পৰা নৰসিংহ পাহাৰলৈ প্রায় ১,০০০ বিঘা ভূমি উদ্ধাৰৰ কাম শীঘ্রে আৰম্ভ হ'ব। নৰসিংহ পাহাৰৰ পৰা গণেশ পাহাৰলৈ আন ১,৫০০ বিঘা ভূমি পুনৰুদ্ধাৰৰ পৰিকল্পনাও কৰা হৈছে।

বছৰ বছৰ ধৰি ব্রহ্মপুত্রৰ গৰাখহনীয়ে ৰাজ্যখনৰ বিস্তৃত ভূমি ক্ষতিগ্রস্ত কৰি আহিছিল। শেহতীয়াকৈ নদীখনে

স্বাভাৱিকভাৱে গতিপথ সলনি কৰাত লাহেশ্বৰী চাপৰিত এই বৃহৎ ভূমি মুকলি হৈছে।

ৰাজ্য চৰকাৰে মুকলি হোৱা ভূমিখিনি বিজ্ঞানসন্মত পদ্ধতিৰে পুনৰুদ্ধাৰ কৰি জনসাধাৰণৰ কল্যাণ আৰু উৎপাদনশীল কামত ব্যৱহাৰৰ উপযোগী কৰাৰ লক্ষ্য লৈছে। উদ্ধাৰ হোৱা এই ভূমিসমূহক কৃষি, উদ্যোগ, পর্যটন আৰু জনসাধাৰণৰ জীৱিকাৰ নতুন আধাৰ হিচাপে গঢ়ি তোলাৰ লক্ষ্য লৈছে ৰাজ্য চৰকাৰে।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূৰ্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/1732/himanta-sarma-laheswari-chapari-land